'মোৰ লিপি মোৰ ভাষা' ঃ অসমীয়া লিপিৰ স্বকীয়তাৰ ১৮৬ টা পুৰাতাত্ত্বিক তথ্য

# অসমীয়া লিপিৰ স্বকীয়তা প্ৰতিষ্ঠাৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টাৰ আহ্বান




'মোৰ লিপি মোৰ ভাষা'
বিষয়ক আলোচনাত
(বাওঁপিনৰ পৰা)
অশোক শৰ্মা, কনকচন্দ্ৰ শৰ্মা,
প্ৰেমনাৰায়ণ নাথ, সভাৰ সভাপতি
ড° কুলধৰ শইকীয়া, প্ৰধান সম্পাদক
যাদৱ চন্দ্ৰ শৰ্মা আৰু ভাস্কৰ বৰদলৈ

"অসমীয়া লিপি স্বকীয়। ইয়াৰ সত্যসত্যতা নিৰূপণৰ বাবে ১৮৬ টা পুৰাতাত্ত্বিক তথ্য আছে। পশ্চিমৰ কোনো লিপিৰ পৰা অসমীয়া লিপিয়ে জন্ম গ্ৰহণ কৰা নাই। অসমীয়া লিপিৰ জন্ম 'গ' আখৰটোৰে চতুৰ্থ শতিকাৰ প্ৰথম অৰ্ধত হৈছিল। নগাজৰি খনিকৰ গাঁৱৰ লিপি ইয়াৰ সাক্ষ্য।" অসম সাহিত্য সভাৰ শেহতীয়া প্ৰকাশ 'অসমীয়া লিপিৰ ক্ৰমবিকাশ' গ্ৰন্থখনৰ প্ৰসংগত অসমীয়া লিপি সম্বন্ধে অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা সভাগৃহত যোৱা ২০ মাৰ্চ তাৰিখে সভাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা এটি আলোচনাৰ আঁত ধৰি গ্ৰন্থখনৰ লেখক ভাস্কৰ বৰদলৈয়ে এইদৰে কয়। অসমীয়া লিপিৰ ক্ৰমবিকাশৰ পুংখানুপুংখ আলোচনাৰ আঁত ধৰি বৰদলৈয়ে লগতে কয় — "দেৱনাগৰী লিপিৰ জন্ম স্থান অসম আৰু ৪৫০-৪৮৫ খ্ৰীষ্টাব্দৰ উমাচল লিপিও হৈছিল। অসমীয়া লিপিৰ পৰা হে দেৱনাগৰী লিপিৰ জন্ম। অসমীয়া লিপি প্ৰতিষ্ঠাৰ বাবে ভাৰতবৰ্ষ তথা বিশ্বৰ লিপি বিশেষজ্ঞ তথা পণ্ডিতসকলৰ লগত তথ্যগতভাৱে বিশ্লেষণ কৰিবৰ বাবে আমি সম্পূৰ্ণ প্ৰস্তুত।"

'চিৰ চেনেহী মোৰ ভাষা জননী...' গীতেৰে আৰম্ভ হোৱা আৰু অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাপতিৰ ভাষণ প্ৰসংগত ড° শইকীয়াই কয় — "বিশ্বৰ দৰবাৰত অসমীয়া লিপিৰ প্ৰতিষ্ঠাৰ বাবে আমি সকলোৰেই ঐক্যবদ্ধ হোৱাৰ সময় আহিছে। ভাস্কৰ বৰদলৈয়ে ৰচনা কৰা অসমীয়া লিপি ক্ৰমবিকাশ গ্ৰন্থখনৰ সন্দৰ্ভত আলোচনা-সমালোচনা হোৱাটো আমি ঐকান্তিকতাৰে কামনা কৰিছোঁ। এইক্ষেত্ৰত আলোচনা হওক আৰু লিপিৰ ইতিহাস সম্পৰ্কত এটা ধাৰণাও স্পষ্ট হওক।" আলোচনা সত্ৰত আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ সঞ্চালক ড° দিলীপ কলিতাই কয় — "তথ্য সমৃদ্ধ এই গ্ৰন্থখন শীঘ্ৰে ইংৰাজীলৈ অনুবাদ কৰি ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমীয়া লিপিৰ প্ৰতিষ্ঠাৰ বাবে অসম সাহিত্য সভাই সুদূৰ প্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰা উচিত।" আনহাতে লিপি বিশেষজ্ঞ অশোক শৰ্মাই অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটোক বিচ্ছিন্ন ৰূপৰ প্ৰকৃত বিশ্লেষণ নোহোৱাৰ ক্ষেত্ৰত আক্ষেপ প্ৰকাশ কৰে। আলোচনা সত্ৰত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা লিপি বিশেষজ্ঞ কনক চন্দ্ৰ শৰ্মাই অসমীয়া লিপিৰ প্ৰতিষ্ঠাৰ বাবে অসম সাহিত্য সভাই পুৰাতাত্ত্বিক তথ্যসহকাৰে আগবাঢ়ি অহা কাৰ্যত সন্তোষ প্ৰকাশ কৰি সকলোৰেই সহযোগিতা আগবঢ়োৱাটো প্ৰয়োজন বুলি উল্লেখ কৰে।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই আদৰণি ভাষণ দিয়া আৰু প্ৰকাশন আহ্বায়ক দেৱজিৎ বৰাই শলাগৰ শৰাই আগবঢ়োৱা এই আলোচনাত ধ্ৰুৱজ্যোতি শৰ্মা, চন্দন শৰ্মা, পুলিন কলিতা আদিয়ে অসমীয়া লিপি প্ৰসংগত প্ৰশ্ন উত্থাপন কৰে আৰু সমল ব্যক্তিসকলে উত্তৰ ব্যাখ্যা কৰে। অনুষ্ঠানত সাহিত্য অকাদেমিৰ বঁটাপ্ৰাপক ডাঃ অপূৰ্ব কুমাৰ শইকীয়া আৰু যুৱ বঁটা প্ৰাপক দ্বিজেন কুমাৰ দাসক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে আন কেইগৰাকী এই বছৰৰ সাহিত্য অকাদেমি বঁটা প্ৰাপক নিউটন কে বসুমতাৰী (বড়ো, যুৱ সাহিত্য বঁটা), মাধুৰিমা ঘৰফলিয়া (অসমীয়া, শিশু সাহিত্য বঁটা), ড° অজিত বড়ো (বড়ো, শিশু সাহিত্য বঁটা) আৰু অঞ্জন বাছকোটা (নেপালী, যুৱ সাহিত্য বঁটা) আদিক সম্বৰ্ধনা গ্ৰহণৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে।

০০০০